Total No. of Printed Pages—3

**1 SEM TDC ASM M 1**

**2 0 1 9**

( November )

ASSAMESE

( Major )

Course : 101

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ বুৰঞ্জীক কেইটা যুগত ভাগ কৰিছে?

(খ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজন কোন আছিল?

(গ) ভট্টদেৱৰ সম্পূৰ্ণ নামটো লিখাঁ।

(ঘ) সাধুকথা, সাঁথৰ আদি কোন শ্ৰেণীৰ সাহিত্য?

(ঙ) কবিৰত্ন সৰস্বতী কোন যুগৰ কবি?

(চ) 'পূৰ্বকবি অপ্ৰমাদী' বুলি শংকৰদেৱে কাক আখ্যা দিছিল ?

(ছ) 'কাণখোৱা' পুথিখনৰ ৰচকজনৰ নাম লিখাঁ।

(জ) 'চৰ্যাগীতিকোষ' নামৰ গ্ৰন্থখন কোনে, ক'ৰ পৰা উদ্ধাৰ কৰি আনিছিল ?

২। (ক) অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) মহেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) লোকসাহিত্য কাক বোলে? ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে পৰিচয়মূলক টোকা যুগুত কৰাঁ। ৩+১১=১৪

*অথবা*

(খ) অসমীয়া লোকসাহিত্যৰ ভাগসমূহ উল্লেখ কৰি যি কোনো এটি ভাগৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ৩+১১=১৪

৪। (ক) হৰিবৰ বিপ্ৰৰ কাব্য-কৃতিৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) ''চৰ্যাপদসমূহ অসমীয়া সাহিত্যৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন।'' কথাষাৰৰ আধাৰত এটি আলচ যুগুত কৰাঁ।

৫। (ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ পৰিচয়মূলক এটি আলোচনা যুগুত কৰা। ১৫

অথবা

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) বৰগীত

(২) নাম-ঘোষা

(৩) ঝুমুৰা

(৪) ব্ৰজাৱলী বা ব্ৰজবুলি

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) বুৰঞ্জী সাহিত্য

(খ) ভট্টদেৱৰ গদ্য সাহিত্য

(গ) চৰিত সাহিত্য

(ঘ) ব্যৱহাৰিক সাহিত্য

★★★